পৰিসৰ বৃদ্ধি কৰাৰ লগতে

### ৪.৩ (গ) প্ৰাক্-বিদ্যালয়ৰ কাৰ্য্যসূচী পৰিকল্পনা (Programme Planning for Pre-school Education) ঃ

সাধাৰণতে প্ৰাক্-বিদ্যালয়সমূহত কোনো ধৰণৰ নিৰ্দিষ্ট কাৰ্য্যসূচী অনুসৰণ কৰা নহয়। কিন্তু এই সময়ত শিশুক অনুশাসন, নিয়মানুৱৰ্তিতা আদিৰ বিষয়ে জ্ঞান দিয়াটো অতি প্ৰয়োজন। সেইবাবে দিনটোৰ বাবে এখন কাৰ্য্যসূচী পৰিকল্পনা কৰাটো প্ৰয়োজন হয়। প্ৰাক্-বিদ্যালয়ৰ কাৰ্য্যসূচীখন পৰিকল্পনা কৰাৰ আগেয়ে প্ৰথমে শিশুৰ বিকাশৰ হাৰ আৰু প্ৰয়োজনীয়তাসমূহৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। তাৰোপৰি এই কাৰ্য্যসূচী শিশুৰ প্ৰয়োজন আৰু অৱস্থা অনুসৰি সাল-সলনি কৰিব পৰা হ'ব লাগে। অকলে

কৰা কাম আৰু গোটত কৰা কাম মুক্ত, আৰু পৰিচালিত খেলৰ মাজত সমতা স্থাপন, পৰিশ্ৰমী আৰু কম পৰিশ্ৰমী খেলৰ সাল-সলনিৰ ব্যৱস্থা আদি দিশৰ প্ৰতিও লক্ষ্য ৰাখিব লাগে। প্ৰাক্-বিদ্যালয়ৰ কাৰ্য্যসূচীত থাকিব লগীয়া কাৰ্য্যসমূহ হৈছে—

১। খেলা কাৰ্য ঃ মুক্ত খেল যেনে— অন্যান্য ল'ৰা-ছোৱালীৰ সৈতে খেলিব পৰা ভিতৰৰ খেল, বাহিৰা কাৰ্য আৰু শৈক্ষিক আৰু গঠনমূলক শিক্ষা দিব পৰাকৈ পুতলা খেল।

২। মাংসপেশী আৰু হাত ভৰিৰ সঞ্চালনৰ দ্বাৰা কৰিব পৰা শাৰীৰিক কাৰ্য।

৩। শাৰীৰিক আৰু সামাজিক পৰিবেশৰ অভিজ্ঞতাৰ দ্বাৰা খেলিব পৰা খেল, অনুসৰণৰ দ্বাৰা বা অন্যৰ সহযোগত খেলিব পৰা খেল।

৪। সু-সংহত খেল, গোটৰ কাৰ্য আৰু পৰিচালিত খেল।

৫। খেলা সামগ্ৰী ব্যৱহাৰ কৰি খেল পথাৰত খেলা খেল, যেনে— ফুটবল, ক্ৰিকেট ইত্যাদি।

(খ) শাৰীৰিক প্ৰশিক্ষণ যেনে— ব্যায়াম, যোগ অভ্যাস, নাচ, গান, ৰাইম গোৱা।

(গ) হাতেৰে কৰা কাৰ্য যেনে— ফুল ৰোৱা, গছত পানী দিয়া ইত্যাদি।

(ঘ) প্ৰাকৃতিক বস্তু বা অন্যান্য তৈয়াৰী সামগ্ৰীৰ দ্বাৰা ইন্দ্ৰিয় শিক্ষা।

(ঙ) হাতৰ আঙুলিৰ ব্যৱহাৰৰ দ্বাৰা কৰা কাৰ্য আৰু অন্যান্য কলা যেনে— ছবি অঁকা, ৰং কৰা, কাগজ কটা ইত্যাদি।

(চ) গছ-গছনি, জীৱজন্তু, মানৱ শৰীৰ আদিৰ সংস্পৰ্শৰ দ্বাৰা প্ৰকৃতি অধ্যয়ন, ভাষা, ব্যক্তিগত পৰিষ্কাৰ পৰিচ্ছন্নতা, স্বাস্থ্যৰ নিয়ম সমূহৰ সৈতে জড়িত কাৰ্যসমূহ শিকা, খেল-ধেমালিৰ জৰিয়তে সংখ্যা গণনা।

(ছ) মলমূত্ৰ ত্যাগ কৰিবলৈ শিকা।

এইবোৰৰ উপৰিও যিবোৰ প্ৰাক্-বিদ্যালয়ত মধ্যাহ্ন ভোজনৰ ব্যৱস্থা আছে, তেনে বিদ্যালয়ে তাৰ সময় ঠিক কৰি ল'ব লাগে। শিশুৱে ঘৰৰ পৰা টিফিন আনিলে খোৱাৰ সময় নিৰ্দিষ্ট কৰি ল'ব লাগে। তাৰোপৰি এই কাৰ্য্যসূচীখন কাৰ্যমূলক আৰু অৰ্থপূৰ্ণ হ'ব লাগে। শিশুক শিকোৱা সকলোবোৰ কাৰ্যৰে শিক্ষক-শিক্ষয়ত্ৰীসকলৰ এক পৰিষ্কাৰ ধাৰণা থাকিব লাগে। নহ'লে শিক্ষক-শিক্ষয়ত্ৰীসকলৰ প্ৰশিক্ষণৰ ব্যৱস্থা থাকিব লাগে আৰু তেওঁলোকৰ সুবিধা অনুসৰি কাৰ্য্যসূচীখন পৰিকল্পনা কৰিবলৈ স্বাধীনতা দিব লাগে।